জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৪/২০২১

## কৃষক শ্বহীদ দিৱসত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

### দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ ঐতিহাসিক পথৰুঘাটৰ ৰণত প্ৰাণ আহুতি দিয়া বীৰ কৃষক শ্বহীদসকলৰ স্মৃতিত ৰাজ্য চৰকাৰে স্থাপন কৰিব স্মৃতি ক্ষেত্ৰ

## পথৰুঘাটত সংহত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশ কেন্দ্ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসমৰ শক্তিশালী ভৱিষ্যৎ কৃষিখণ্ডৰ ওপৰত নিৰ্ভৰশীল ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ জানুৱাৰী ঃ** ‘পথৰুঘাটৰ কৃষক বিদ্ৰোহ অকল অসমৰ বুকুতেই নহয়, ভাৰতবৰ্ষৰ বুকুৰ উল্লেখযোগ্য ঘটনা। ইংৰাজৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰিবলৈ গৈ মৃত্যুক সাৰটি ল’বলগীয়া হোৱা কৃষকসকলৰ লগত পথৰুঘাটৰ স্মৃতি বিজড়িত হৈ আছে। কৃষকসকলৰ মহান ত্যাগৰ বাবে আজি আমি স্বাধীন ৰাষ্ট্ৰত মৰ্যাদাসহকাৰে বসবাস কৰিবলৈ সক্ষম হৈছো। এই শ্বহীদ কৃষকসকল আমাৰ সকলোৰে বাবে জীৱনৰ বাটত আদৰ্শ হৈ ৰ’ব। আমি আমাৰ ভৱিষ্যৎ প্ৰজন্মক কৃষক শ্বহীদসকলৰ আদৰ্শৰে একো একোগৰাকী আদৰ্শ নাগৰিক হিচাপে গঢ়ি তুলিব লাগিব।’ আজি ৰাজ্য চৰকাৰৰ কৃষি বিভাগ আৰু দৰং জিলা প্ৰশাসনৰ উদ্যোগত দৰঙী ৰাইজৰ সহযোগত ঐতিহাসিক পথৰুঘাটৰ ৰণত প্ৰাণ আহুতি দিয়া মহান বীৰ কৃষক শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত আয়োজিত কৃষক শ্বহীদ দিৱসত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৃষক শ্বহীদসকলৰ মহান ত্যাগ আৰু দেশ প্ৰেমৰ আদৰ্শক তুলি ধৰাৰ বাবে আৰু দেশী-বিদেশী পৰ্যটকসকলক আকৰ্ষিত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে পথৰুঘাটত এক স্মৃতি ক্ষেত্ৰ নিৰ্মাণ কৰিব। মুখ্যমন্ত্ৰীয়ে এই অঞ্চলৰ কৃষক ৰাইজক আধুনিক কৃষি পদ্ধতিৰ সৈতে পৰিচয় কৰাই দিবলৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ এটা শাখা খোলাৰ দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও কৃষিমন্ত্ৰীগৰাকীক কয়। এই পৱিত্ৰ স্থানত মাটিৰ সৈতে জড়িত থকা কৃষকৰ কেচা তেজৰ মূল্যাংকন কৰিব লাগিলে আমি কৃষি খণ্ডত বিশ্বৰ ভিতৰতে জাকত জিলিকা হৈ উঠাৰ লক্ষ্যৰে কাম কৰিব লাগিব। অসমৰ শক্তিশালী আৰু উজ্জ্বল ভৱিষ্যৎ কৃষিখণ্ডতে আছে বুলি উল্লেখ কৰি তেওঁ কয় যে কৃষিৰ জৰিয়তে আমি আত্মনিৰ্ভৰশীল হ’ব লাগিব। বিজ্ঞানসন্মতভাৱে কৃষিকাৰ্যত নিয়োজিত হৈ উৎপাদন বৃদ্ধিৰ জৰিয়তে উপাৰ্জন বৃদ্ধি কৰিব লাগিব। সেই পৰ্যায়লৈ যাব লাগিলে স্মাৰ্ট কৃষক হ’ব লাগিব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কৃষিখণ্ডৰ বিকাশ সাধনৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ ফলত আজিৰ অসমৰ নৱ প্ৰজন্মৰ মানসিকতা সলনি হৈছে। শৃংখলাবদ্ধভাৱে প্ৰতিযোগিতাত নামি পৰিছে। অসমৰ যুৱ কৃষকে উৎপাদন কৰা সামগ্ৰীয়ে আজি বিশ্ব বজাৰলৈ ঢাপলি মেলিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

কৃষকসকলক আত্মনিৰ্ভৰ কৰি গঢ়ি তোলা, আৰ্থিকভাৱে স্বচ্ছল কৰা আৰু কৃষিখণ্ডৰ সম্ভাৱনীয়তাক আৱিষ্কাৰ কৰি আগুৱাই যাব পৰাকৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ডেকা শক্তিয়ে এই ক্ষেত্ৰত নেতৃত্ব বহন কৰিলেহে আমি সফল হ'ব পাৰিম। একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত পৰম্পৰাগত কৃষি পদ্ধতিৰ পৰিৱৰ্তে আধুনিক কৃষি পদ্ধতিক আকোঁৱালি ল'ব লাগিব। ভাৰতবৰ্ষৰ ৮৫ শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। এই লোকসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰিব লাগিব। উচ্চ শিক্ষিত নৱ প্ৰজন্মই কৃষি ক্ষেত্ৰত জড়িত হ'লে অসম দেশৰ শ্ৰেষ্ঠ ৰাজ্য হ'ব বুলিও তেওঁ কয়। ২০২২ চনত কৃষকৰ উৎপাদন দুগুণ কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছয়েল হেলথ্ কাৰ্ড, পি এম কিষাণ বীমা যোজনা, কে চি চি, কিষাণ সন্মান নিধিৰ লেখীয়া অভিলাষী আঁচনি গ্ৰহণ কৰিছে। তদুপৰি ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা, কৃষি সাঁ-সজুলি যোজনা, ২ লাখ টকাকৈ কৃষি ঋণৰ সুদ ৰেহাই, ৰাইচ মিল স্থাপন, ইত্যাদিৰ লেখীয়া বহু পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপসমূহৰ সুফল লাভ কৰিবলৈ হ'লে আমাৰ উচ্চ শিক্ষিত যুৱ প্ৰজন্মই কৃষিত আত্মনিয়োগ কৰিব লাগিব। প্ৰধানমন্ত্ৰীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক জৈৱিক হাব হিচাপে পৰিগণিত কৰাৰ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে কৃষকসকলক জৈৱিক কৃষি পদ্ধতিত আত্মনিয়োগ কৰিবলৈও আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে আত্মনিৰ্ভৰ ভাৰতবৰ্ষৰ বাবে প্ৰধানমন্ত্ৰীয়ে ২০ লাখ কোটি টকাৰ পেকেজ ঘোষণা কৰি এই ক্ষেত্ৰত কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডত আগবঢ়োৱা ধনৰাশিৰ কথাও উল্লেখ কৰে।

সভাত ভাষণ প্ৰদান কৰি কৃষিমন্ত্ৰী অতুল বৰাই কয় যে বিনিময় প্ৰথাৰে কৃষিভিত্তিক অৰ্থনীতি আৰম্ভ হয়। পৰৱৰ্তী পৰ্যায়ত সামাজিক অৰ্থ-ব্যৱস্থাত কৃষিয়ে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে কয়। তেওঁ কয় যে কৃষি ক্ষেত্ৰলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিব লাগিলে অধিক শ্ৰম কৰিব লাগিব। বৰ্তমানৰ ৰাজ্য চৰকাৰে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডৰ বিকাশ সাধনৰ বাবে অভিযান হিচাপে কাম কৰি আহিছে। অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ কৰ্ম সংস্কৃতিত গুৰুত্ব দিব লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে একেডৰা মাটিতে অধিক শস্য উৎপাদনৰ দিশত আত্মনিয়োগ কৰিব লাগিব। ভাষণ প্ৰসংগত তেওঁ কৃষি বিভাগে কৃষকৰ উন্নয়ন সাধন কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ আলোকপাত কৰে।

কৃষি বিভাগৰ আয়ুক্ত সচিব আকাশদ্বীপে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ দিলীপ শইকীয়া, বিধায়কদ্বয় বিনন্দ কুমাৰ শইকীয়া আৰু গুৰুজ্যোতি দাসে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক অশোক শৰ্মা, অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ মমিনুল আৱাল, উপায়ুক্ত দিলীপ কুমাৰ বৰা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে পথৰুঘাটত উপস্থিত হৈয়ে কৃষক শ্বহীদ স্মাৰকত পুষ্পাঞ্জলি অৰ্পণেৰে শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিৱেদন কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে সংহত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশ কেন্দ্ৰ এটিও উদ্বোধন কৰে। কৃষক শ্বহীদ দিৱস উপলক্ষে আয়োজিত ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ কৃষি ক্ষেত্ৰলৈ অনন্য বৰঙণি যোগোৱা কৃষক আৰু কৃষি গোটক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে।

**পুঃডেঃ**

**২৮/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in